# Pre-Test–2023
## H.S. 2nd Year
## Subject : MIL (Assamese)

**Full marks : 30** **Time : 1 hr.**

১। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা ঃ (যিকোনো পাঁচটা) ১×৫=৫

ক) 'মোৰ মাতৃ মুখ দৰ্শন' পাঠটিৰ লেখক কোন?

খ) সম্বলপুৰ ভাৰতৰ কোনখন ৰাজ্যত অৱস্থিত?

গ) অসমীয়া সাহিত্যত প্ৰথম কথা-কবিতা ৰচনা কৰা কবি গৰাকী কোন?

ঘ) 'ওমৰ তীৰ্থ' পুথিখন কোনখন পুথিৰ ভাবানুবাদ?

ঙ) শীলভদ্ৰৰ প্ৰকৃত নাম কি?

চ) 'চিঠি' গল্পটি লেখকৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

ছ) ভাৰতীয় সংস্কৃতিৰ মূল আধাৰ কি?

জ) মাধৱদেৱৰ জন্ম ক'ত হৈছিল?

২। তলৰ শব্দবোৰত কি প্ৰত্যয় যোগ হৈছে ভাঙি দেখুওৱা ঃ ২×৫=১০

(যিকোনো পাঁচটা)

ধাননি, ৰসাল, ধৰুৱা, বহুৱা, উজনি, নাচনী, কান্দুৰা, মগনিয়াৰ।

৩। ব্যাখ্যা কৰা ঃ (যিকোনো এছোৱা) ৫×১=৫

ক) "মই মোক
মোৰ সন্তানৰ কাৰণে
ক'ত থৈ যাম
ক'ত??"

খ) "সিদ্ধ মুনিগনে চিন্তিয়া নপাৱে
মো হৰি যশোৱা কোলে
ত্ৰিজগতৰ পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে।"

*Contd.*

৪। "কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটিৰ মূলভাব লিখা। ১০

অথবা

কথা কবিতা বুলিলে কি বুজা ? কথা কবিতাৰ দুটামান বৈশিষ্ট্য উল্লেখ কৰি 'মগনিয়াৰ' কবিতাৰ মূলভাব লিখা।

অথবা

কবি পৰিচয় সহ 'কৰুণতম' কবিতাটিৰ মূলভাব লিখা।

=== ▞ ▞ ▞ ===

# Pre-Test–2023

## H.S. 2nd Year

## Subject : Advance Assamese

**Full marks : 30** **Time : 1 hr.**

১। তলত দিয়া যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ দিয়া ঃ ১×৫=৫

ক) অসমৰ নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক কোন?

খ) অসমীয়া সাহিত্যত 'অসম কেশৰী' বুলি কাক জনা যায়?

গ) কবিয়ে দেৱতাৰ সলনি কাক পূজা কৰিবলৈ আহ্বান জনাইছে?

ঘ) ডিম্বেশ্বৰ নেওগৰ জন্ম গাঁওখনৰ নাম কি?

ঙ) 'অন্বেষণ' কবিতাটি কোন শ্ৰেণীৰ কবিতা?

চ) লেমটৌ কি?

২। তলৰ যিকোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ২×৫=১০

ক) ৰোমাণ্টিক কবিতাৰ দুটা বৈশিষ্ট্য লিখা।

খ) 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'— কথাষাৰ কোনে কাক কৈছিল?

গ) 'বৰ্ষা বৰ্ণন' কবিতাটি ক'ৰ পৰা লোৱা হৈছে আৰু কোন ধাতুৰ কথা উল্লেখ আছে?

ঘ) 'ধৰ্মগ্লানি' মানে কি?

ঙ) 'আমাৰ ছাৰ'ৰ প্ৰকৃত নাম কি? তেওঁ কাৰ বিয়ালৈ গৈছিল?

চ) বলোৰাম মেধি কোন? বলোৰাম মেধিৰ হাতীটো কিহৰ প্ৰতীক?

৩। প্ৰসঙ্গ-সঙ্গতি দেখুৱাই ব্যাখ্যা কৰা ঃ (যিকোনো এটা) ৫×১=৫

ক) যদ্যাপি মূষলধাৰে মেঘে বৰষিল।
তথাপি পৰ্বতে পীড়া কিছো নজানিল।।
যিজনৰ মন ভৈল কৃষ্ণত প্ৰৱেশ।
তাক যেন লঙ্ঘিঘবে নপাৰে দুখ ক্লেশ।।

খ) বিশ্বৰ সৌন্দৰ্য্যখনি! জন্মভূমি তই মাথোঁ
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া

*Contd.*

৪। যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৫×১=৫

ক) 'মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে'— কথাযাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

খ) 'বিহু এক ধৰ্মীয় অনুষ্ঠান'— বিহুক ধৰ্মীয় অনুষ্ঠান বুলি কোৱাৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

৫। বহলাই আলোচনা কৰা ঃ (যিকোনো এটা) ৫×১=৫

ক) 'আমাৰ ছাৰ' গল্পটোত ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্কটো লেখকে কেনেদৰে দাঙি ধৰিছে, লিখা।

খ) 'হাতী' গল্পটিত মূল্যবোধৰ অৱক্ষয়ৰ চিত্ৰ কেনেদৰে অংকিত হৈছে, তাৰ এটি আভাস দিয়া।

=== ▪ ▪ ▪ ===